জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা
নং ঃ ৮৫৬/২০২০

# কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰ পৰিদৰ্শন কৰি কাইলৈ অনুষ্ঠিত হ'বলগীয়া সভাৰ প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

## কাইলৈৰ দিনতো অসমৰ জাতীয় জীৱনৰ উল্লেখযোগ্য দিন হিচাপে চিহ্নিত হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত 'অসম দৰ্শন' আঁচনিকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ শুভাৰম্ভ উপলক্ষে কাইলৈ কামৰূপ জিলাৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া সভাৰ প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি সন্ধিয়া সভাস্থলীত উপস্থিত হৈ মুখ্যমন্ত্ৰী সোণোৱালে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৱলীৰ বুজ লয়। মুখ্য অতিথিকে ধৰি অন্যান্য অতিথিসকলৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ লগতে অংশ গ্ৰহণকাৰী ৰাইজে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন যাতে নহয় তাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ মুখ্যমন্ত্ৰীয়ে পৰ্যবেক্ষণ কৰে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ জনসাধাৰণৰ সেৱাত কাইলৈ অসম চৰকাৰে কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনি আৰম্ভ কৰিবলৈ আগবাঢ়িছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আঁচনি কেইখনৰ শুভাৰম্ভ কৰিব। কাইলৈ দিনটো অসমৰ জাতীয় জীৱনৰ উল্লেখযোগ্য দিনৰূপে চিহ্নিত হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে বিগত চাৰে চাৰি বছৰে অসমবাসীৰ সৰ্বাংগীন বিকাশৰ উদ্দেশ্যে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিছে। অনাগত দিনবোৰতো চৰকাৰে দায়িত্ব সহকাৰে কাম কৰি যাব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কাইলৈ অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচী অসম চৰকাৰৰ ৰাজ্যবাসীৰ প্ৰতি থকা দায়বদ্ধতাৰে নিদৰ্শন।

কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰ পৰিদৰ্শন কৰাৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে নৈশ যাপন কৰিবলগীয়া লোক নিৰ্মাণ বিভাগৰ আমিনগাঁৱস্থিত পৰিদৰ্শন বাংলোত উপস্থিত হৈ ব্যৱস্থাৱলীৰ বুজ লয়। মুখ্যমন্ত্ৰী সোণোৱালৰ আজিৰ পৰিদৰ্শনৰ সময়ত বিত্ত, স্বাস্থ্য আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জলসিঞ্চন বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী ভবেশ কলিতা, হাউছফেডৰ অধ্যক্ষ তথা সৰভোগৰ বিধায়ক ৰঞ্জিত দাসৰ লগতে ৰাজ্য প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

উল্লেখ্য যে কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত কাইলৈ অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত 'অসম দৰ্শন' আঁচনিৰ অধীনত ৫০ বছৰ পুৰণি ৰাজ্যৰ ৮ হাজাৰ নামঘৰলৈ ২.৫০ লাখকৈ এককালীন আৰ্থিক সাহায্য আনুষ্ঠানিকভাৱে বিতৰণ কৰা হ'ব। এই সভাতে গুৱাহাটীত নিৰ্মাণ কৰিবলগীয়া দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰ্মাণ কৰিবলগীয়া ৯ খন আইন মহাবিদ্যালয়ৰ আধাৰশিলাও স্থাপন কৰা হ'ব। তদুপৰি এই সভাৰ পৰাই কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে ১৮৮ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া বটদ্ৰৱা সত্ৰৰ উন্নয়মূলক কাম-কাজৰো শুভাৰম্ভ কৰিব।

**বীঃগঃ**
২৫/১২/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in